**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মঙলদৈৰ জনসভাত কয় যে দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব আৰু অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা দেশৰ প্ৰতি ইঞ্চি ভূমি উদ্ধাৰ কৰা হ'ব।
২। প্ৰধানমন্ত্ৰীয়ে মঙলদৈত দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল, এখন নাৰ্ছিং মহাবিদ্যালয়, নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।
৩। প্ৰধানমন্ত্ৰীয়ে আজি গোলাঘআট জিলাৰ নুমলিগড়ত বিশ্বৰ প্ৰথমটো বাঁহ ভিত্তিক ইথানল প্ৰকল্প উদ্বোধন কৰিব।
৪। হিন্দী দিৱস উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীক শুভেচ্ছা জনাইছে। ***আৰু***
৫। ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব আৰু অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা দেশৰ প্ৰতি ইঞ্চি ভূমি উদ্ধাৰ কৰা হ'ব। মঙলদৈৰ এখন বিশাল জনসভাত অংশগ্ৰহণ কৰি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইকথা দৃঢ়তাৰে ঘোষণা কৰে। অনুপ্ৰৱেশকাৰীৰ পৃষ্ঠপোষকসকলক সকিয়াই দি প্ৰধানমন্ত্ৰীয়ে কয়, যে অনুপ্ৰৱেশকাৰীক ৰক্ষনাবেক্ষন দিয়া শক্তিয়ে যিমানেই চেষ্টা নকৰাক কিয়, প্ৰাণ দি হলেও তেওঁলোকক প্ৰতিহত কৰা হ'ব। শ্ৰীমোদীয়ে অনুপ্ৰৱেশকাৰীৰ বেদখলৰ পৰা প্ৰায় ১ লাখ বিঘা ভূমি উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱাৰ বাবে ৰাজ্যৰ ড$^{o}$ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বৰ চৰকাৰক প্ৰশংসা কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই উদ্দেশ্যে মঙলদৈত আয়োজিত এখন জনসভাত বিৰোধী পক্ষ বিশেষকৈ কংগ্ৰেছৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী সৰৱ হৈ উঠে। ভাষণৰ আৰম্ভণিতে শ্ৰীমোদীয়ে কয়, যে মা কামাখ্যাৰ আশীৰ্বাদত অপাৰেছন সিন্দূৰ সফল হল। অপাৰেছনৰ সিন্দূৰৰ পিছত এয়া তেওঁৰ প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰি তেওঁ ৰাজ্যজুৰি আজি উদযাপন হবলগীয়া ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ উপলক্ষে সকলোকে শুভেচ্ছা জনায়। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত তেওঁ কংগ্ৰেছক সমালোচনা কৰি কয় যে সুধাকণ্ঠক ভাৰতৰত্ন দিয়াত কংগ্ৰেছে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰৰ সন্মান আৰু সংৰক্ষণৰ লগতে ৰাজ্যখনৰ দ্ৰুত বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে। স্বাধীনতাৰ পিছত চীনৰ আক্ৰমনৰ সময়ত তদানিন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মন্তব্যই অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলক আঘাত দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অসমৰ পূৰ্বপুৰুষৰ সপোন এতিয়া বিজেপিয়ে পূৰণ কৰিছে। তেওঁৰ বাবে জনতাই ভগৱান বুলি ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ ১৪০ কোটি জনতাই হৈছে তেওঁৰ শক্তি। বিকাশৰ বাবে সুচল যোগাযোগ ব্যৱস্থা অপৰিহাৰ্য বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সেয়ে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যত যোগাযোগ ব্যৱস্থা উন্নত কৰাত গুৰুত্ব দিছে। তেওঁ কয় যে ভাৰত সম্প্ৰতি বিকাশৰ দিশত খৰটকীয়াকৈ আগবাঢ়িছে আৰু অসম হৈছে দেশৰ অন্যতম খৰটকীয়াকৈ বিকাশ হোৱা ৰাষ্ট্ৰ। জনতাৰ বাবে অধিক কাম কৰাত তেওঁ আগ্ৰহী বুলি

উল্লেখ কৰি শ্ৰীমোদীয়ে ইয়াৰ বাবে অসমবাসীৰ আশীৰ্বাদ বিচাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ কেৱল বৰ্তমানৰ বাবে নহয় বৰং অহা ৪০-৫০ বছৰৰ বাবে দেশৰ আন্তঃগাথনি শক্তিশালী কৰি ৰখাত গুৰুত্ব দিছে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ বাবে দেশৰ প্ৰতিজন নাগৰিক আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি তেওঁ এই কথাত সন্তোষ প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰেৰ কৰা জি এছ্ টিৰ ব্যাপক সংস্কাৰৰ বিষয়েও উল্লেখ কৰে। আজি মঙলদৈ আৰু মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰা ছহেজাৰ ৫০০ কোটি টকাৰ প্ৰকল্পই ৰাজ্যখনৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি হ'ব আৰু ৰাজ্যখনত সামগ্ৰিকভাৱে আৰ্থসামাজিক বিকাশ সম্ভৱ হ'ব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে কালি দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যখনলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। তেওঁ লগতে ২১টা ভাষালৈ অনুদিত ড০ ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখনো উন্মোচন কৰে।

০০০০০

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিন্দী দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে হিন্দী কেৱল যোগাযোগৰ মাধ্যম নহয়, বৰঞ্চ দেশৰ পৰিচয় আৰু মূল্যবোধৰ সজীৱ ঐতিহ্য। সমগ্ৰ বিশ্বতে হিন্দী ভাষাৰ প্ৰতি ক্ৰমবৰ্ধমান সন্মান জাতিটোৰ বাবে গৌৰৱ আৰু প্ৰেৰণাৰ বিষয় বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে জনসাধাৰণক সকলো ভাৰতীয় ভাষাৰ লগতে হিন্দী ভাষাৰ সংকল্প আৰু সমৃদ্ধিৰ বাবে একত্ৰিত হ'বলৈ আৰু ভৱিষ্যত প্ৰজন্মলৈ গৌৰৱেৰে কঢ়িয়াই লৈ যাবলৈ আহ্বান জনায়।**

0000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি হিন্দী দিৱস উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে হিন্দীয়ে দেশৰ বিভিন্ন ভাষা আৰু উপভাষাসমূহৰ মাজত এখন সেঁতুৰ দৰে কাম কৰিছে। হিন্দী ভাষাই ৰাষ্ট্ৰীয় সংহতি ৰক্ষা কৰাৰ লগতে প্ৰযুক্তি, বিজ্ঞান আৰু গৱেষণাৰ ভাষা হিচাপেও গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। তেওঁ কয়, যে ২০১৪ চনৰ পৰাই হিন্দী ভাষাত চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে। শ্ৰীশ্বাহে যোৱা বছৰৰ হিন্দী দিৱসত কৈছিল যে ভাৰতৰ প্ৰধান প্ৰধান ভাষাসমূহৰ মাজত অনুবাদ প্ৰক্ৰিয়া সূচল কৰি তোলাৰ বাবে ভাৰতীয় ভাষা অনুভাগ স্থাপন কৰা হৈছিল। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ ডিজিটেল ভাৰত, ই গৱৰনেন্স, কৃত্ৰিম বুদ্ধিমত্তা আৰু যন্ত্ৰ শিক্ষণৰ যুগত কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় ভাষাসমূহক ভৱিষ্যতৰ বাবে যোগ্য কৰি তোলাত গুৰুত্ব দিছে।

০০০০

**লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ সৈতে আজি অন্ধ্ৰ প্ৰদেশৰ তিৰুপতী চহৰত সংসদ আৰু ৰাজ্যিক তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাত মহিলা সবলীকৰণ সমিতিৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। লোকসভাৰ অধ্যক্ষগৰাকীয়ে এই উপলক্ষে এখন প্ৰদৰ্শনী উদ্বোধন কৰাৰ লগতে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰিব।**

ৰাজ্যসভাৰ উপ সভাপতি, অন্ধ্ৰ প্ৰদেশ বিধান পৰিষদ আৰু বিধানসভাৰ সভাপতি আৰু অধ্যক্ষ, সংসদ আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ মহিলা সবলীকৰণ সমিতিৰ অধ্যক্ষৰ লগতে কেইবাগৰাকীও গণ্যমান্য ব্যক্তিয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰাৰ কথা আছে। এই সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এশৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। তিৰুপতীত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা সবলীকৰণ সমিতিৰ এই সন্মিলন নাৰী সৱলীকৰণৰ বিষয়ত নতুন আলোচনাৰ সূচনা কৰাৰ লগতে প্ৰযুক্তিৰ পৰিৱৰ্তনৰ যুগত মহিলাসকলক নেতৃত্ব দিব পৰাকৈ সাজু কৰি তোলাত গুৰুত্ব আৰোপ কৰি আয়োজন কৰা হৈছে।

০০০০

নাগালেণ্ডৰ হৰ্ণবিল উৎসৱক দ্য উইক হেৰিটেজ এৱাৰ্ডছে সৰ্বশ্ৰেষ্ঠ সাংস্কৃতিক সংগীত আৰু নৃত্যৰ ছিলভাৰ বনিয়ান বঁটাৰে সন্মানিত কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি নতুন দিল্লীত কালি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে এই বঁটা প্ৰদান কৰে। মন্ত্ৰীগৰাকীৰ পৰা নতুন দিল্লীৰ নাগালেণ্ড হাউচৰ যুটীয়া আৱাসিক আয়ুক্ত চাৰণ লংচাৰিয়ে এই বঁটা গ্ৰহণ কৰে।

০০০০

ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ফেব্ৰুৱাৰীৰ পাছত চলিত বৰ্ষত এইবাৰ প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইউ এ ই আৰু ওমানক পৰাস্ত কৰি দুয়োটা দলৰে মানসিক স্থিতি সম্প্ৰতি শক্তিশালী হৈ আছে। ভাৰতে ডুবাইত যোৱা বুধবাৰে অনুষ্ঠিত খেলখনত ইউ এ ইক ৯ উইকেটত আৰু পাকিস্তানে ওমানক ৯৩ ৰানত পৰাস্ত কৰিছিল। যোৱানিশা আবুধাবিত অনুষ্ঠিত গ্ৰুপ বিৰ-এখন খেলত শ্ৰীলংকাই, বাংলাদেশৰ বিৰুদ্ধে ৬ উইকেটত জয় লাভ কৰে। জয়ৰ বাবে ১৪০ ৰানৰ লক্ষ্যৰে খেলি শ্ৰীলংকাই ১৪ অভাৰ ৪টা বল আৰু ৬টা উইকেট বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰে পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৩৯ কৰে। এ জয়ৰ সুবাদত শ্ৰীলংকাৰ সামগ্ৰীক ৰান ৰেট উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাৰ লগতে গ্ৰুপ-বিত দলটোক শক্তিশালী স্থিতিত উপনীত কৰে।

০০০০

সমাপ্ত